**M.A. Entrance Exam (National Level)**

**MCQs Type Questions**

**Question Prepared by Department of Assamese,**

**B.N. College, Dhubri.**

1. **চৰ্যাপদৰ মূল পুথিখনৰ নাম-**
   - (A) দোহাকোষ
   - (B) চৰ্যাচৰ্য বিনিশ্চয়
   - (C) চৰ্যাগীতিকোষ
   - (D) ডাকাৰ্ণৱ
2. **গোৱালপৰীয়া লোকগীতৰ থূল-**
   - (A) পগলা-পাৰ্বতীৰ গীত
   - (B) মহোহো গীত
   - (C) মৈষাল গীত
   - (D) মাহুতৰ গীত
3. **'কবিতা ছন্দোৱদ্ধ ৰচনা' (Poetry is metrical composition) উক্তিটো কাৰ ?**
   - (A) মিল
   - (B) মেথিউ আৰ্নল্ড
   - (C) ড° জনছন
   - (D) কাৰ্লাইল
4. **' Aspects of Early Assamese Literature' গ্ৰন্থ কোনে প্ৰথম সম্পাদনা কৰে ?**
   - (A) বিৰিঞ্চি কুমাৰ বৰুৱা
   - (B) বাণীকান্ত কাকতি
   - (C) মহেশ্বৰ নেওগ
   - (D) উপেন্দ্ৰ চন্দ্ৰ লেখাৰু
5. **অসমীয়া সংস্কৃতিলৈ অষ্ট্ৰিক সংস্কৃতিৰ পৰা অহা উপাদানৰ থূল-**
   - (A) তামোল-পাণৰ ব্যৱহাৰ
   - (B) আহু আৰু শালি খেতিৰ প্ৰচলন
   - (C) দেৱতাৰ আগত কেঁচা তেজৰ উপহাৰ
   - (D) দেওধনি উঠি বলি লোৱা লোকচাৰ
6. **সন্ধ্যাৰ আধা আলো আধা ছাঁয়াৰ ৰহস্যঘনতাই আবৃত গীত বুলি কাক অভিহিত কৰা হয়-**
   - (A) শূন্যপুৰাণক
   - (B) শ্ৰীকৃষ্ণ কীৰ্তনক
   - (C) প্ৰহ্লাদ চৰিত্ৰক
   - (D) চৰ্যাপদক

**7. ভাৰতীয় আলংকাৰিকসকলে কেইবিধ ৰসৰ অস্তীত্ব স্বীকাৰ কৰিছে ?**

(A) তিনিবিধ

(B) নবিধ

(C) দহবিধ

(D) পোন্ধৰবিধ

**8. 'উপভাষাবোৰ স্বতন্ত্ৰ-বিকাশৰ যাত্ৰা আৰম্ভ হোৱা নাই, কিন্তু আৰম্ভণিটো সুস্পষ্টৰূপে নিৰ্দ্ধাৰিত হৈছে| এনেকুৱা উপভাষা কিছুমানৰ সানমিহলি ৰূপ এটা কৃষ্ণ কীৰ্তনৰ ভাষা দাঙি ধৰে|' –উক্তিষাৰ কাৰ ?**

(A) ডিম্বেশ্বৰ নেওগ

(B) সত্যেন্দ্ৰনাথ শৰ্মা

(C) বাণীকান্ত কাকতি

(D) অমিত কুমাৰ বন্দোপাধ্যায়

**9. তলৰ কোন জনগোষ্ঠীৰ সৈতে 'খেৰাই পূজা'ৰ নৃত্য জড়িত ?**

(A) তিৱা

(B) মিছিং

(C) ৰাভা

(D) বড়ো

**10. গোপীচন্দ্ৰৰ গীত কোন শ্ৰেণীৰ সাহিত্যৰ অন্তৰ্ভুক্ত ?**

(A) নাথ সাহিত্য

(B) মন্ত্ৰ সাহিত্য

(C) পুৰাণ সাহিত্য

(D) পাঁচালী সাহিত্য

**11. তুলনামূলক সাহিত্য সাহিত্যৰ আন্তৰ্জাতিক সম্পৰ্কৰ ইতিহাস বুলি অভিহিত কৰা ব্যক্তিগৰাকী হ'ল-**

(A) Guyard

(B) Rene Eticmble

(C) T.M. Caree

(D) Henry Remark

**12. 'প্ৰত্ন-অসমীয়া ভাষাৰ ৰূপতাত্বিক বিশ্লেষণ' কাৰ ৰচনা-**

(A) উপেন্দ্ৰ নাথ গোস্বামী

(B) গোলোকচন্দ্ৰ গোস্বামী

(C) বিশ্বেশ্বৰ হাজৰিকা

(D) সত্যেন্দ্ৰনাৰায়ণ গোস্বামী

**13. মান্য অসমীয়া ভাষাত শ্বাসাঘাত ক'ত পৰে ?**

(A) আদ্যক্ষৰত

(B) উপধ্যক্ষৰত

(C) মধ্যাক্ষৰত

(D) অন্ত্যাক্ষৰত

**14. 'উপন্যাসত চিত্ৰিত হয়, গোটেই জীৱন' আৰু চুটিগল্প প্ৰতিফলিত হয়, 'এচকল জীৱন' – বক্তাগৰাকী কোন ?**

(A) মোঁপাচা

(B) ৰবীন্দ্ৰনাথ ঠাকুৰ

(C) হেমিংৱে

(D) ব্ৰাণ্ডেৰ মেথ্যুজ

**15. 'এই জগতৰ অৰণ্যৰ মাজে মই ফুৰি জাওঁতে**
**জি এখন ঠাইত এটা গাঁত আছিল, এনে ঠাই**
**পালোহি। তাতে পৰি শুই থাকোঁতে এক**
**সমাজিক দেখিলোঁ।'**

**ওপৰত দিয়া বাক্য দুটা কোনবিধ সাহিত্যৰ অন্তৰ্গত ?**

(A) ব্যৱহাৰিক জ্ঞান শাস্ত্ৰমূলক সাহিত্য

(B) অৰুণোদই যুগৰ সাহিত্য

(C) বুৰঞ্জী সাহিত্য

(D) বিবিধ বিষয়ক সাহিত্য

**16. উৎপত্তিবাদৰ উদ্ভাৱক হ'ল-**

(A) লোল্লট

(B) শাংকু

(C) মম্মট

(D) অভিনৱ গুপ্ত

**17. কি সাজৰ প্ৰচলন আহোম যুগৰ এটা উল্লেখনীয় কথা ?**

(A) চোলা

(B) শাৰী

(C) গামোচা

(D) ধুতি

**18. কাহুদি কি ?**

(A) বটা বা খুন্দা সৰিয়হেৰে তৈয়াৰী এবিধ অসমীয়া মুখৰোচক টেঙা খাদ্য।

(B) বাঁহৰ গাজ খুন্দি বা পিহি তৈয়াৰ কৰা এবিধ খাদ্য।

(C) এবিধ তিতা ব্যঞ্জন।

(D) এবিধ জলপান।

**19. হেম সৰস্বতীয়ে পৃষ্ঠপোষকতা লাভ কৰা ৰজাজন-**

(A) দুৰ্লভ নাৰায়ণ

(B) ইন্দ্ৰনাৰায়ণ

(C) মহামানিক্য

(D) অনিৰূদ্ধ দেৱ

**20. "মাধৱেসে পিতা মাতা মাধৱেসে প্ৰাণ।**

**মাধৱত পৰে কুন বন্ধু আছে আন॥"**

**-এই উক্তিটো কোনখন কাব্যৰ পৰা উদ্ধৃত ?**

(A) হৰগৌৰী সংবাদ

(B) দ্ৰোণ পৰ্ব

(C) প্ৰহলাদ চৰিত্ৰ

(D) সাত্যকি প্ৰৱেশ

**21. স্থাপত্য শিল্পৰ প্ৰাচীনতম নিদৰ্শন ক'ত পোৱা যায় ?**

(A) শোণিতপুৰ জিলাৰ দ-পৰ্বতীয়াত

(B) গুৱাহাটীৰ নীলাচল পাহাৰত

(C) নুমলীগড়ৰ দেওপৰ্বতত

(D) গোৱালপাৰাৰ সূৰ্যপাহাৰত

**22. কবিৰত্ন সৰস্বতীয়ে 'জয়দ্ৰথ বধ'ৰ কাহিনীটো লৈছে-**

(A) মহাভাৰতৰ দ্ৰোণ পৰ্বৰ পৰা

(B) ৰামায়ণৰ দ্ৰোণ পৰ্বৰ পৰা

(C) ভাগৱত পুৰাণৰ পৰা

(D) ওপৰৰ এটাও নহয়

**23.** **দেৱাসুৰ মনুষ্যক সবাকো জিনিলো ৰণে**
**তেবেসে বোলাইলো সব্যসাচী।**

**হস্তীগুচি মাখি ভৈলো গো খোজতে তল গৈলোঁ**

**কচুত ভাঙ্গিল যেন কাছি॥**

– **উক্তিষাৰ কোনে কৈছিল ?**

(A) বব্রুবাহন

(B) অৰ্জুন

(C) লৱকুশ

(D) চিত্ৰাংগদা

**24.** **মাধৱ কন্দলীক 'অসমীয়া ছচাৰ' বুলি কোনে অভিহিত কৰিছিল ?**

(A) হেমচন্দ্ৰ বৰুৱাই

(B) হেমচন্দ্ৰ গোস্বামীয়ে

(C) হেম বৰুৱাই

(D) মাধৱচন্দ্ৰ বৰদলৈয়ে

**25.** **শংকৰদেৱ আৰু মাধৱদেৱৰ মিলনক মনিকাঞ্চন সংযোগ বুলি কোনে অভিহিত কৰিছে ?**

(A) কালিৰাম মেধি

(B) লক্ষ্মীনাথ বেজবৰুৱা

(C) হীৰেন গোঁহাই

(D) বাণীকান্ত কাকতি

**26.** **'ক' স্তম্ভৰ লগত 'খ' স্তম্ভ মিলাই লিখা**

| | **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|---|
| a. | নগাৰ | (i) চান্দসাই |
| b. | মুছলমানৰ | (ii) নৰোত্তম |
| c. | গাৰোৰ | (iii) জয়হৰি |
| d. | মিৰিৰ | (iv) গোবিন্দ |

**Codes :**

| | a | b | c | d |
|---|---|---|---|---|
| (A) | (ii) | (i) | (iv) | (iii) |
| (B) | (i) | (ii) | (iii) | (iv) |
| (C) | (ii) | (iv) | (iii) | (i) |
| (D) | (iii) | (iii) | (ii) | (ii) |

**27. ব্যাসকুছি সত্ৰ কোনে প্ৰতিষ্ঠা কৰিছিল ?**

(A) গোপাল আতা

(B) দামোদৰ দেৱ

(C) ভট্টদেৱ

(D) মাধৱদেৱ

**28. ভট্টদেৱৰ গদ্যত সংস্কৃত শব্দৰ বহুল প্ৰয়োগৰ কৰণ কি ?**

(A) তেওঁ সংস্কৃতৰ পণ্ডিত আছিল।

(B) গীতাৰ দৰে এখন দাৰ্শনিক তত্বপ্ৰধান গ্ৰন্থ কেৱল ঘৰুৱা ভাষাত অনুবাদ কৰাটো সম্ভৱ নাছিল।

(C) তেওঁৰ অসমীয়া ভাষাৰ প্ৰতি দায়বদ্ধতা নাছিল।

(D) সংস্কৃত ভাষাৰ প্ৰতি সমকালীন পাঠকবৰ্গৰ গভীৰ শ্ৰদ্ধা আছিল।

**29. তলত উল্লেখিত কোন গৰাকী ব্যক্তি একাধাৰে কোচৰজাৰ মন্ত্ৰী, সেনাপতি আৰু কবি আছিল ?**

(A) গোপীনাথ পাঠক

(B) দামোদৰ দাস

(C) কবীন্দ্ৰ পাত্ৰ

(D) বিদ্যা পঞ্চানন

**30. দেহত যে চৈধ্য ব্ৰহ্মাণ্ড আছে, ই যে ব্ৰহ্মাণ্ডৰ এটি ক্ষুদ্ৰ সংস্কৰণ- এই কথা তলৰ কোনটো গীতৰ প্ৰতিপাদ্য বিষয়**

(A) জিকিৰ

(B) দেহবিচাৰ

(C) বিহুগীত

(D) বনগীত

**31. 'হৰধনু ভঙ্গ' নাটকখনৰ ৰচক কোন ?**

(A) ৰজনীকান্ত বৰদলৈ

(B) ৰমাকান্ত চৌধুৰী

(C) পূৰ্ণকান্ত শৰ্মা

(D) চন্দ্ৰধৰ বৰুৱা

**32. 'Romeo and Juliet' নাটকৰ অসমীয়া ভাঙনিৰ নাম কি ?**

(A) অমৰ লীলা

(B) ৰাসলীলা

(C) প্ৰেমলীলা

(D) ৰোমিও' আৰু জুলিয়েট

**33. 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভ মিলাই লিখা**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a) অগ্নিকবি | (i) বিনন্দ্র চন্দ্র বৰুৱা |
| b) ধ্বনি কবি | (ii) প্রসন্নলাল চৌধুৰী |
| c) বিদ্রোহী কবি | (iii) যতীন্দ্রনাথ দুৱৰা |
| d) বনফুলৰ কবি | (iv) কমলাকান্ত ভট্টাচার্য |

| **Codes :** | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (iii) | (iv) | (ii) | (i) |
| (B) | (i) | (ii) | (iii) | (iv) |
| (C) | (iv) | (i) | (ii) | (iii) |
| (D) | (ii) | (iii) | (iv) | (i) |

**34. 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভ মিলাই লিখা**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| i. কমলেশ্বৰ চলিহা | (a) কচ |
| ii. হীৰেন গোঁহাই | (b) নিৰঞ্জন ফুকন |
| iii. অতুলচন্দ্র হাজৰিকা | (c) নাচিকেতা |
| iv. ভবানন্দ দত্ত | (d) চিত্র দাস |

| **Codes :** | i | ii | iii | iv |
|---|---|---|---|---|
| (A) | (d) | (a) | (b) | (c) |
| (B) | (a) | (b) | (c) | (d) |
| (C) | (c) | (d) | (a) | (b) |
| (D) | (b) | (a) | (c) | (d) |

**35. ৰঘুনাথ চৌধাৰীৰ নিম্নলিখিত কাব্য গ্ৰন্থকেইখনত প্ৰথম প্ৰকাশৰ চন অনুসৰি সজোৱাঃ-**

(iii) দহিকতৰা (i) কেতেকী

(iv) সাদৰী (ii) নৰমল্লিকা

**Codes :**

| | | | | |
|---|---|---|---|---|
| (A) | (ii) | (iii) | (i) | (iv) |
| (B) | (iii) | (ii) | (i) | (iv) |
| (C) | (i) | (iii) | (ii) | (iv) |
| (D) | (iv) | (ii) | (i) | (iii) |

**36. 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভ মিলাই লিখা**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a) পঃৰাগ | i) টাই-ফাকে |
| b) বৰত | ii)ইছলাম |
| c) লিক্‌ৰৈ | iii) কৃষি চপোৱা উৎসৱ |
| d) জাকাত | iv) তিৰা |

**Codes :**

(A) (a)-(i), (b)-(iii), (c)- (ii), (d)-(iv)

(B) (a)-(ii), (b)-(iv), (c)-(iii), (d)-(i)

(C) (a)-(iii), (b)-(iv), (c)-(i), (d)-(ii)

(D) (a)-(iv), (b)-(ii), (c)-(i), (d)-(iii)

**37. 'ক' স্তম্ভৰ লগত 'খ' স্তম্ভ মিলাই লিখা**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| (a) আৱাহন | (i) ১৯০৭ |
| (b) জয়ন্তী | (ii) ১৯২৯ |
| (c) সুৰভি | (iii) ১৮৩৬ |
| (d) উষা | (iv) ১৮৪০ |

| **Codes :** | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (i) | (ii) | (iii) | (iv) |

| | | | | |
|---|---|---|---|---|
| (B) | (ii) | (iii) | (iv) | (i) |
| (C) | (ii) | (iii) | (i) | (iv) |
| (D) | (iii) | (i) | (ii) | (iv) |

**38. ‘ক’ স্তম্ভৰ লগত ‘খ’ স্তম্ভ মিলাই লিখা**

| **‘ক’ স্তম্ভ** | **‘খ’ স্তম্ভ** |
|---|---|
| (a) উকীলৰ জন্মৰহস্য | (1) ত্ৰৈলোক্যনাথ গোস্বামী |
| (b) জাহ্নৱী | (2) ৰমাদাশ |
| (c) ফুল আৰু জাৰৰ | (3) মহীচন্দ্ৰ বৰা |
| (d)অৰুণা | (4) কৃষ্ণ ভূঞা |

| **Codes :** | (a) | (b) | (c) | (d) |
|---|---|---|---|---|
| (A) | (1) | (2) | (3) | (4) |
| (B) | (2) | (3) | (4) | (1) |
| (C) | (3) | (2) | (4) | (1) |
| (D) | (4) | (2) | (3) | (1) |

**39. তলৰ উক্তি আৰু যুক্তি বিচাৰ কৰি প্ৰকৃত শুদ্ধ উত্তৰৰ Code- টো নিৰ্ণয় কৰা।**

**উক্তিঃ** অৰুণোদই যুগ ভাষাৰ বাটকটীয়া যুগ-সাহিত্যৰ সেন্দুৰীয়া আলি নিৰ্মাণ ইয়াৰ উদ্দেশ্য নহয়।

**যুক্তিঃ** মিছনেৰীসকলে অসমীয়া ভাষাৰ পুনঃপ্ৰতিষ্ঠাৰ ক্ষেত্ৰতহে অহোপুৰুষাৰ্থ কৰিছিল যাৰ বাবে এই যুগৰ সাহিত্য চিন্তাৰ পৰিসৰ তেনেই সীমিত।

**Codes:**

(A) উক্তি শুদ্ধ; যুক্তি অশুদ্ধ
(B) উক্তি শুদ্ধ; যুক্তি শুদ্ধ
(C) উক্তি অশুদ্ধ; যুক্তি শুদ্ধ
(D) উক্তি অশুদ্ধ; যুক্তি অশুদ্ধ

**40. তলৰ উক্তি আৰু যুক্তি বিচাৰ কৰি প্ৰকৃত শুদ্ধ উত্তৰৰ Code- টো নিৰ্ণয় কৰা।**

**উক্তিঃ** মোৰ বাবে তুমি

নুবুবা মালতী ফুল।

জীৱনত কিয়

মিছাতে লগোৱা ভুল॥

-ইয়াত বৃত্তানুপ্ৰাস অলংকাৰ সাধিত হৈছে।

**যুক্তিঃ** সদৃশ বৰ্ণৰ দুবাৰ প্ৰয়োগ ঘটি ধবনি ব্যঞ্জনাৰ সৃষ্টি কৰিছে।

**Codes:**

(A) উক্তি শুদ্ধ; যুক্তি শুদ্ধ
(B) উক্তি অশুদ্ধ; যুক্তি অশুদ্ধ
(C) উক্তি শুদ্ধ; যুক্তি অশুদ্ধ
(D) উক্তি অশুদ্ধ; যুক্তি শুদ্ধ

**41. তলৰ উক্তি আৰু যুক্তি বিচাৰ কৰি প্ৰকৃত শুদ্ধ উত্তৰৰ Code- টো নিৰ্ণয় কৰা।**

**উক্তিঃ** বাক্যত এটা শব্দৰেই দুটা বা ততোধিক অৰ্থ একেলগে কোৱাকে শ্লেষ অলংকাৰ বোলে।

**যুক্তিঃ** শ্লেষ শব্দৰ অৰ্থ হ'ল লগলাগি থকা।

**Codes:**

(A) উক্তি শুদ্ধ; যুক্তি শুদ্ধ
(B) উক্তি অশুদ্ধ; যুক্তি শুদ্ধ
(C) উক্তি শুদ্ধ; যুক্তি অশুদ্ধ
(D) উক্তি অশুদ্ধ; যুক্তি অশুদ্ধ

**42. তলৰ উক্তি আৰু যুক্তি বিচাৰ কৰি প্ৰকৃত শুদ্ধ উত্তৰৰ Code- টো নিৰ্ণয় কৰা।**

**উক্তিঃ** প্ৰাক্-শংকৰী যুগৰ ভাৰত-পৰাণ আদিৰ চৰ্চাৰ মাজেদি বুদ্ধি-শক্তিৰ বিস্তাৰ হোৱাৰ উপৰিও কল্পনাৰ পৰিসৰ বাঢ়িছিল।

**যুক্তিঃ** প্ৰাক্-শংকৰী যুগৰ কবিসকল অধিক কল্পনাবিলাসী হৈ পৰিছিল।

**Codes:**

(A) উক্তি শুদ্ধ; যুক্তি শুদ্ধ
(B) উক্তি শুদ্ধ; যুক্তি অশুদ্ধ
(C) উক্তি অশুদ্ধ; যুক্তি শুদ্ধ
(D) উক্তি শুদ্ধ; যুক্তি অশুদ্ধ

**43. তলৰ উক্তি আৰু যুক্তি বিচাৰ কৰি প্ৰকৃত শুদ্ধ উত্তৰৰ Code- টো নিৰ্ণয় কৰা।**

**উক্তিঃ** অসমীয়া লিপিৰ মূল ভাৰতীয় লিপিৰ ঠাল যদিও এই লিপিৰ আৰ্হিয়ে এক স্বকীয় ৰূপ পৰিগ্ৰহণ কৰিছে।

**যুক্তিঃ** অসমীয়া লিপি সাঁচিপাত আৰু তুলা পাতত লিখা হৈছিল।

**Codes:**

(A) উক্তি শুদ্ধ; যুক্তি অশুদ্ধ

(B) উক্তি অশুদ্ধ; যুক্তি শুদ্ধ

(C) উক্তি অশুদ্ধ; যুক্তি অশুদ্ধ

(D) উক্তি শুদ্ধ; যুক্তি শুদ্ধ

**44. প্ৰথম আলোচনা কৰা সময় অনুসৰি একাদিক্ৰমে সজোৱাঁ-**

(a) বাস্তৱবাদ

(b) ধ্ৰুৱবাদ

(c) ৰমন্যাসবাদ

(d) চেতনাস্ৰোত পদ্ধতি

(e) যাদুকৰি বাস্তৱবাদ

Chose the correct answer from the options given below:

(A) (c), (b), (a), (d), (e)

(B) (a), (c), (d), (b), (e)

(C) (b), (a), (d), (e), (c)

(D) (b), (c), (a), (d), (e)

**45. অসম উপত্যকা বঁটা পাঁওতাৰ থূল-**

(i) নগেন শইকীয়া

(ii) সমীৰ তাঁতী

(iii) আনিজ উজ জামান

(iv) গোবিন্দ প্ৰসাদ শৰ্মা

Chose the correct answer from the options given below:

(A) (i) & (ii) only

(B) (ii) & (iii) only

(C) (i) & (iii) only

(D) (iii) & (iv) only

**46. প্ৰতিষ্ঠা কালৰ আধাৰত সজোৱাঁ-**

(i) অসম সাহিত্য সভা

(ii) অসম ছাত্ৰ সন্মিলনী

(iii) এ. এচ. এল. ক্লাব

(iv) কহিমা সাহিত্য সভা

(A) (i), (ii), (iii), (iv)

(B) (iv), (iii), (ii), (i)

(C) (ii), (i), (iii), (iv)

(D) (iii), (iv), (ii), (i)

**47. তলত দিয়া কোন দুজন অভিধান প্ৰনেতা ?**

(i) যাদুৰাম ডেকাবৰুৱা

(ii) মাইল্‌চ ব্ৰন্সন

(iii) গুণাভিৰাম বৰুৱা

(iv) নাথান ব্ৰাউন

Chose the correct answer from the options given below:

(A) (i) & (ii) only

(B) (ii) & (iv) only

(C) (i) & (iii) only

(C) (iii) & (iv) only

**48. ‘লুইতৰ বালি বগী ধকে ধকি**
**কাছই কণী পাৰে লেখি।’**
**উক্ত গীতফাঁকিত কেনে ছবিৰ প্ৰকাশ পাইছে-**

(A) লুইতৰ পাৰৰ বালিৰ চিক্‌মিকনিৰ ছবি।

(B) লুইতৰ পাৰত কাছই কণী পৰা দৃশ্যৰ ছবি।

(C) লুইতৰ পানীৰ সৌন্দৰ্যৰ ছবি।

(D) লুইতৰ পাৰৰ প্ৰকৃতিৰ মনোৰম ছবি।

**49. অসমৰ মানুহৰ নদী-প্ৰীতি জাগ্ৰত হোৱাৰ মূল কাৰণ-**

(A) জলসিঞ্চনৰ ব্যৱস্থা।

(B) বিভিন্ন নদ-নদীৰ কৰুণাধাৰা।

(C) বৰষুণ-দেৱতাৰ কৃপাদৃষ্টি।

(D) নদীৰ প্ৰসাদৰ ভড়ালৰ সঞ্চয় ।

**50. সাম্প্ৰতিক অসমৰ ৰাজনৈতিক বাস্তৱৰ বিশেষ উল্লেখনীয় দিশ হ'ল-**

(A) ভাৰতীয় জাতীয়তাবাদৰ আদৰ্শত প্ৰতিষ্ঠিত উপজাতীয় সত্তাবোৰে অসমীয়া মধ্যবিত্ত সমাজৰ প্ৰতি অনাস্থা আনি নিজাকৈ ভাষা-সংস্কৃতিৰ উন্নতিৰ বাবে চেষ্টা কৰিছে।

(B) ভাৰতীয় জাতীয়তাবাদৰ আদৰ্শত উপজাতীয় মধ্যবিত্তই নিজা দৃষ্টিভঙ্গীৰে নিজৰ ভাষিক-সাংস্কৃতিৰ উন্নতিৰ চেষ্টা কৰিছে।

(C) ভাৰতীয় জাতীয়তাবাদৰ আদৰ্শত সৰহ সংখ্যক উপজাতীয় মধ্যবিত্তই অসমীয়া মধ্যবিত্তৰ নেতৃত্বৰ ওপৰত আস্থা হেৰুৱাই নিজস্ব চিন্তাৰে ভাষিক-সাংস্কৃতিক পথত অগ্ৰসৰ হৈছে।

(D) ভাৰতীয় জাতীয়তাবাদৰ আদৰ্শত থিয় হোৱা অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে উপজতীয় মধ্যবিত্তৰ ওপৰত আস্থা হেৰুৱাটো উদ্বেগৰ কাৰণ।